بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ

# খোতবা জুমা

## তৌবা আৰু ইস্তাগফাৰৰ মূলভাৱ

**ছৈয়দিনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আল-খামিছ (আইঃ)য়ে ২৫ আগষ্ট ২০২৩ চনত মছজিদ মোবাৰক ইছলামাবাদ টিলফোৰ্ড বৃটেইনত প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ।**

أَشْهَدُ أَنْ لَا إِلٰهَ إِلَّا اللّٰهُ وَحْدَهُ لَا شَرِيْكَ لَهُ وَأَشْهَدُ أَنَّ مُحَمَّدًا عَبْدُهُ وَرَسُوْلُهُ أَمَّا بَعْدُ فَأَعُوْذُ بِاللّٰهِ مِنَ الشَّيْطٰنِ الرَّجِيْمِ۔ بِسْمِ اللّٰهِ الرَّحْمٰنِ الرَّحِيْمِ۔ اَلْحَمْدُ لِلّٰهِ رَبِّ الْعٰلَمِيْنَ۔ الرَّحْمٰنِ الرَّحِيْمِ۔ مٰلِكِ يَوْمِ الدِّيْنِ۔ إِيَّاكَ نَعْبُدُ وَإِيَّاكَ نَسْتَعِيْنُ۔ اِهْدِنَا الصِّرَاطَ الْمُسْتَقِيْمَ۔ صِرَاطَ الَّذِيْنَ أَنْعَمْتَ عَلَيْهِمْ ۙ غَيْرِ الْمَغْضُوْبِ عَلَيْهِمْ وَلَا الضَّآلِّيْنَ۔

তাশ্বাহুদ তাউজ আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় আল্লাহ তা'লা তাৰ বান্দাৰ ইস্তেগফাৰ আৰু তৌবা সদায় কবুল কৰি লয় কিন্তু তাতে চৰ্ত হ'ল সেই তৌবা, সঁচা তৌবা হ'ব লাগিব; কেৱল মুখেৰে উচ্চাৰিত শব্দ হলে সেয়া গৃহীত নহয়। কোৰাণ কৰিমৰ বিভিন্ন ঠাইত এই বিষয়ে উল্লেখ আছে যে আল্লাহ তা'লা সঁচা তৌবাকাৰীক ধন আৰু জ্ঞানেৰে সমৃদ্ধ কৰে আৰু এয়া ঐশ্বৰিক শাস্তিৰ পৰা পৰিত্ৰাণ পোৱাৰ বিশেষ উপায়।

ইস্তেগফাৰ কৰোতাই আল্লাহ তা'লাৰ কৃপা আৰু কৰুণাৰ অধিকাৰী হৈ থাকে। আল্লাহ তা'লা এঠাইত ইস্তেগফাৰ কৰোতা সকললৈ সুসংবাদ স্বৰূপে কৈছে যে, লা ওয়াজাদুল্লাহা তাওৱাবাৰ ৰাহিমা। সিহঁতে নিশ্চয় আল্লাহ তা'লাক অতিকৈ তৌবা কবুল কৰোতা আৰু বাৰে বাৰে কৃপা কৰোতা হিচাপে পাব কিন্তু চৰ্ত হ'ল এয়া যে সেয়া আচল ইস্তেগফাৰ আৰু সত্য তৌবা হ'ব লাগিব।

এখন হাদীছত হজৰত আনছ (ৰাঃ)ৰ পৰা বৰ্ণিত আছে যে তেখেতে আঁহজৰত (ছাঃ)ক কওঁতে শুনিছে যে পাপৰ পৰা সত্য তৌবা কৰোতা এনেকুৱা হয় যে যেনিবা তেওঁ কোনো পাপ কৰাই নাই। যেতিয়া আল্লাহ কোনো মানুহক ভাল পায় তেতিয়া পাপ তাৰ কোনো ক্ষতি কৰিব নোৱাৰে। অৰ্থাৎ পাপৰ আকৰ্ষণে তাৰ দ্বাৰা কোনো গোনাহ সংগঠিত কৰাব নোৱাৰে। আল্লাহ তা'লা তাক গোনাহৰ পৰিণামৰ পৰা নিৰাপদে ৰাখে। আঁহজৰত (ছাঃ)য়ে তৌবাৰ চিহ্ন সমূহ বৰ্ণনা কৰোতে কৈছে যে লজ্জিত হোৱা তৌবাৰ চিহ্ন। গতিকে প্ৰকৃত তৌবাকাৰী গোনাহৰ পৰা মুক্ত হোৱাৰ লগে লগে আল্লাহ তা'লাৰ ভাল পোৱাও লাভ কৰে আৰু বাৰে বাৰে আল্লাহৰ ৰহমতৰ অংশও পাই

থাকে।

হজৰত মছীহ মাওউদ (আঃ)য়ে সত্য তৌবাৰ চৰ্ত সম্পৰ্কে কৈছে যে প্ৰথম চৰ্ত হ'ল এয়া যে দুষ্টালিপূৰ্ণ,কপটীয়া ধ্যান-ধাৰণা আৰু কল্পনা এৰি দিয়া। দ্বিতীয় চৰ্ত হ'ল প্ৰকৃতাৰ্থে লজ্জিত হোৱাটো প্ৰকাশ কৰা। তৃতীয় চৰ্ত হ'ল সঠিক সিদ্ধান্ত লোৱা যে সেই বেয়াৰ ফালে আৰু কেতিয়াও নোযোৱা। আৰু ইয়াতেই ক্ষান্ত নোহোৱা যে বেয়াৰ ফালে নোযোৱাৰ শপত লৈছো, গতিকে হৈ গৈছে বৰং ইয়াৰ বিপৰীতে সুন্দৰ আৰু পৱিত্ৰ সংকল্প আৰু কাৰ্যই ইয়াৰ স্থান লৈ ল'ব লাগিব। এয়াই হ'ল প্ৰকৃত তৌবা আৰু প্ৰকৃত লজ্জিত হোৱা। যেতিয়া এনেকুৱা অৱস্থা নিজৰ মাজত সৃষ্টি হ'ব তেতিয়া আল্লাহ তা'লা সেইজন ভৃত্যলৈ প্ৰেমৰ শৰাই আগবঢ়াব। হজৰত মছীহ মাওউদ (আঃ)য়ে ইস্তেগফাৰ আৰু তৌবাৰ ফালে আমাক বাৰে বাৰে মনত পেলাই দিছে। তেখেত (আঃ)য়ে ইমান চিন্তা কৰিছিল যে এনেকুৱা সময় কেতিয়াও এৰি দিয়া নাছিল যে সুযোগ পালে জামাতক তৌবা ইস্তেগফাৰৰ কথা মনত পেলাই দিয়া নাছিল। গতিকে এয়া আমাৰ বাবে বৰ জৰুৰী যে আল্লাহ তা'লা আৰু তাৰ ৰছুলৰ আদেশ আৰু বাণীৰ আধাৰত বৰ্ণনা কৰা হজৰত মছীহ মাওউদ (আঃ)ৰ বাণী সমূহ সদায় আগত ৰাখি সেইবোৰৰ ওপৰত আমল কৰাৰ চেষ্টা কৰা যাতে আমি আমাৰ বয়াতৰ হক আদায়কাৰী হ'ব পাৰো।

যদি আমি আমাৰ মাজত পৱিত্ৰ পৰিৱৰ্তন আনয়ন কৰিব নোৱাৰো আৰু সত্য তৌবা ইস্তেগফাৰৰ ফালে মনোযোগ নিদিও তেন্তে আমাৰ নিজকে সংশোধন কৰি লোৱাৰ শপত বিফলে যাব, আমাক কোনো লাভ সোধাব নোৱাৰিব। তেখেত (আঃ)য়ে কৈছে যে এয়া অৱশ্যে স্পষ্ট যে মানুহ নিজৰ প্ৰবৃত্তিৰ আগত অতি দুৰ্বল অৰ্থাৎ মানুহ অতি দুৰ্বল জীৱ আৰু খোদা তা'লাৰ শ শ আদেশ মানৱৰ ওপৰত জাপি দিয়া হৈছে। গতিকে মানৱ প্ৰবৃত্তিত এয়া সংলগ্ন হৈ আছে যে মানৱে নিজৰ দুৰ্বলতাৰ কাৰণে কিছুমান আদেশ নিষেধ পালনত অপৰাগ হয় আৰু কেতিয়াবা নফছে আম্মাৰাৰ ইচ্ছায় মানৱৰ ওপৰত বিজয়ী হৈ পৰে। গতিকে মানুহে নিজৰ দুৰ্বলতা আৰু চৰিত্ৰৰ ফালৰ পৰা অধিকাৰ ৰাখে যে কোনো ভুল কৰি পেলালে তৌবা, ইস্তেগফাৰ কৰিব পাৰে, আৰু তেতিয়া খোদা তা'লাৰ ৰহমতে তাক বিনাশ হৈ যোৱাৰ কবলৰ পৰা বচায়। সেয়ে এয়া নিশ্চিত বিষয় যে যদি খোদা তৌবা কবুল কৰোতা নহ'ল হয় তেন্তে মানৱৰ ওপৰত শ শ নিৰ্দেশৰ বোজা কেতিয়াও জাপি নিদিলেহেঁতেন। ইয়াৰ দ্বাৰা নিঃসন্দেহে প্ৰমাণিত হয় যে খোদা তাওৱাব আৰু গাফুৰ হয় আৰু তৌবাৰ এয়াও অৰ্থ যে মানৱে এটা গোনাহক এনে অটুট সিদ্ধান্ত লৈ ত্যাগ কৰে যে তাৰ পিছত যদি তাক অগ্নিত নিক্ষেপ কৰা হয় তথাপি সি সেই গোনাহ আৰু দ্বিতীয়বাৰ নকৰে।

গতিকে এই চৰ্ত অনুযায়ী তৌবা হোৱা উচিত। যেতিয়া মানুহে এই সত্য আৰু মনোবল লৈ খোদা তা'লাৰ ফালে ওলটি আহে তেতিয়া খোদা তা'লাই নিজৰ সত্তাত কৰিম ও ৰহিম ধাৰণ কৰি সেই গোনাহৰ দণ্ড ক্ষমা কৰি দিয়ে। এয়া আল্লাহ তা'লাৰ সৰ্বোত্তম গুণাৱলী, ইয়াৰ দ্বাৰা তৌবা কবুল কৰি মানৱক ধ্বংসৰ পৰা ৰক্ষা কৰে।

বহু সংখ্যক লোকে কয় যে আমি ইমানবাৰ ইস্তেগফাৰ কৰিছোঁ, শ শ, হাজাৰ বাৰ তছবিহ কৰিছোঁ, কিন্তু যেতিয়া সিহঁতক ইস্তেগফাৰৰ অৰ্থ সোধা হয় তেতিয়া সিহঁতে থতমত খাই যায়। মানৱৰ উচিত হ'ল যে প্ৰকৃতাৰ্থে অন্তৰে অন্তৰে নিজৰ ভুল ত্ৰুটিৰ বাবে ক্ষমা বিচাৰি থকা যে গোনাহ,ভুল, অন্যায় আদি মোৰ দ্বাৰা সংঘটিত হৈছে, তাৰ বাবে শাস্তি যেন ভুগিব নালাগে, সেইবোৰৰ পৰা যেন ক্ষমা পাও আৰু ভৱিষ্যতলৈ মনে মনে সদায় খোদা তা'লাৰ সহায় বিচাৰিব লাগে যে আল্লাহ তা'লা যেন নেক কামৰ তৌফিক দান কৰে আৰু গোনাহৰ পৰা নিজ গুণেৰে দূৰত ৰাখে। কথাত একো সিদ্ধি নহয়। নিজৰ মুখেৰে ইস্তেগফাৰ কৰিব পৰা যায় যে হে খোদা! মোৰ কৃত গোনাহ ক্ষমা কৰি দিয়া আৰু ভৱিষ্যতলৈ গোনাহৰ পৰা দূৰত ৰাখা আৰু নেকি কৰাৰ তৌফিক দান কৰা।

আচলতে খোদাৰ ওচৰত সেই কথাবোৰহে গৈ পায় যিবোৰ কথা হৃদয় নিগৰি আহে। মুখে কেৱল হৃদয়ৰ সাক্ষীহে দিয়ে। কেৱল মুখেৰে কৰা দোৱা অকৰ্মন্য।

হজৰত মছীহ মাওউদ (আঃ)য়ে কৈছে যে জামাতে সৰ্বোত্তম পাৰ্থক্য প্ৰদৰ্শন কৰা উচিত। যদি কোনোবাই বয়াত কৰি যায় আৰু কোনো ধৰণৰ পাৰ্থক্য তাৰ মাজত প্ৰকট নকৰে নিজৰ পত্নীৰ লগত সেই আচৰণেই থাকি যায়, যেনেকুৱা আগতে আছিল আৰু নিজৰ পৰিয়াল বৰ্গৰ সৈতেও আগৰ নিচিনা আচৰণ থাকি যায় তেন্তে সেয়া ভাল কথা নহয়। যদি বয়াত কৰাৰ পিছতও সেই বেয়া আচৰণসমূহ গাত থাকি যায়, চৰিত্ৰ বেয়াই থাকি যায়, নিজৰ অৱস্থা আগৰ দৰেই থাকে তেন্তে বয়াত কৰাৰ একো লাভ নাই। সকলোৰে বাবে উচিত হ'ল বয়াত কৰাৰ পিছত বেলেগক আৰু নিজৰ আত্মীয়-স্বজনক আৰু প্ৰতিবেশী সকলক এনেকুৱা আদৰ্শবান হৈ দেখুৱা যে সকলোৱে ক'বলৈ বাধ্য হয় যে সি এতিয়া আৰু আগৰ দৰে নাই। আচল ইস্তেগফাৰৰ ছবি এনকুৱা হোৱাই উচিত। কিছুমান অজ্ঞ পাদৰী সকলে আঁহজৰত (ছাঃ)ৰ ইস্তেগফাৰলৈ নানা অভিযোগ কৰি লিখিছে যে তেখেত (ছাঃ) ইস্তেগফাৰ কৰাটোৱে (নাউজুবিল্লাহ) আঁহজৰত (ছাঃ) গোনাহগাৰ হোৱাহে প্ৰমাণ কৰে। এই অজ্ঞ সকলে নাজানে যে ইস্তেগফাৰ এটা উচ্চ পৰ্যায়ৰ গুণ। মানুহ আচলতে চাৰিত্ৰিক ভাৱে এনেকুৱা সৃষ্টি হৈছে যে দুৰ্বলতা আৰু ভুল মানুহৰ অভ্যাসৰ দৰে। আম্বিয়া সকল এই চাৰিত্ৰিক দুৰ্বলতা মানৱ হিচাপে ভালদৰে জ্ঞান ৰাখে, যাৰ ফলত তেওঁলোকে দোৱা কৰে যে হে খোদা ! তুমি আমাক এনেকৈ হিফাজত কৰা যে মানৱীয় ভুল ক্ৰুটিৰ সমস্ত দুৰ্বলতা যেন আমাক স্পৰ্শ কৰিব নোৱাৰে।

কোনেও এনেকুৱা দাবী কৰিব নোৱাৰে যে মই মোৰ বলেৰে গোনাহৰ পৰা ৰক্ষা পাব পাৰিম। সেয়ে আম্বিয়া সকলেও নিজৰ হিফাজতৰ ওয়াস্তে খোদাৰ ওপৰত নিৰ্ভৰশীল। গতিকে আঁহজৰত (ছাঃ)য়েও নিজৰ আনুগত্য আৰু ইবাদতৰ ওয়াস্তে বেলেগ আম্বিয়া সকলৰ দৰে খোদা তা'লাৰ ওচৰত নিজৰ হিফাজতৰ বাবে দোৱা কৰিছিল।

ঈছাই সকলৰ এই ধাৰণা ভুল যে ঈছা (আঃ)য়ে ইস্তেগফাৰ কৰা নাছিল। ইঞ্জিলৰ পৰা স্পষ্ট ভাৱে জনা যায় যে তেখেত সদায় নিজৰ দুৰ্বলতাবোৰ স্বীকাৰ কৰিছিল আৰু ইস্তেগফাৰ কৰিছিল। তেন্তে ইয়াতে কোৱাচোন, ইলি ইলি লিমা ছাবাকতানি কথাখিনিৰ অৰ্থ কি ? আবি আবি বুলি কিয় মাতা নাই ? ইব্ৰানি ভাষাত খোদা তা'লাক ইলি বুলি কয়। ইয়াৰ অৰ্থ হ'ল ৰহম কৰা,কৃপা কৰা আৰু মোক এনে বিপদত এৰি নিদিবা অৰ্থাৎ মোক হিফাজত কৰা।

হাদীছত উল্লেখ আছে যে যদি মানৱে খোদা তা'লাৰ ফালে আধা হাত দূৰ আগবাঢ়ি যায় তেন্তে খোদা তাৰ ফালে এক হাত আগবাঢ়ি আহে, যদি মানুহে খোজৰ বেগত আগবাঢ়ি যায় তেন্তে খোদা তা'লায় দৌৰি আগবাঢ়ি আহে। অৰ্থাৎ মানৱে যদি খোদা তা'লাৰ ফালে মন দিয়ে তেন্তে খোদা তাৰ ৰহমত ফজল আৰু মাগফিৰাতৰ উচ্চ মাৰ্গ তালৈ খুলি দিয়ে। কিন্তু যদি খোদা তা'লাক বেজাৰ পাই মূখ ফিৰাই লোৱা হয় তেন্তে খোদা তা'লাৰ তালৈ একো ভ্ৰূক্ষেপ নাই। কোৰাণ চৰিফে আল্লাহ তা'লাৰ দুটা বিশেষ নাম প্ৰকাশ কৰিছে আল হাইয়ু আৰু আল কাইউম। আলহাইয়ুৰ অৰ্থ হ'ল খোদা চিৰঞ্জীৱ আৰু আনক জীৱন দান কৰে আৰু কাইউমৰ অৰ্থ হ'ল খোদা নিজে প্ৰতিষ্ঠিত আৰু আনকও প্ৰতিষ্ঠিত হোৱাৰ উৎস। প্ৰত্যেক বস্তুৰ প্ৰকাশ্য আৰু গোপনীয় প্ৰতিষ্ঠা আৰু জীৱন এই দুই গুণৰ অধীনত হৈ থাকে। গতিকে হাইয়ু শব্দই বিচাৰে যে তাৰ উপাসনা কৰা যাওঁক। যেনেকৈ ইয়াৰ দৃশ্য ছুৰা ফাতিহাৰ ইয়াকানাবুদু আয়াতত নিহিত হৈ আছে। আনহাতে আলকাইউম শব্দই বিচাৰে যে তাৰ পৰা আশ্ৰয় বিচৰা যাওঁক, যি মৰ্ম ইয়াকানাস্তাইন শব্দৰে ইঙ্গিত কৰা হৈছে। সকলো অৱস্থাতে মানুহৰ বাবে খোদাৰ প্ৰয়োজনীয়তা থাকি যায়। গতিকে খোদা তা'লাৰ পৰা শক্তি বিচৰাৰ প্ৰয়োজন আছে আৰু বিচাৰিব লাগে। এয়াই প্ৰকৃত ইস্তেগফাৰ।

হজৰত মছীহ মাওউদ (আঃ)য়ে কৈছে যে সজ কর্ম আৰু ইবাদতলৈ আগ্ৰহ মানুহৰ হৃদয়ত অকলে অকলে জন্ম নলয়। এই শক্তি খোদা তা'লাৰ কৃপা আৰু শক্তিৰ দ্বাৰা উপলব্দ হয়। সেয়ে মানুহে কেতিয়াও ভয় কৰিব নালাগে, উদাস হ'ব নালাগে বৰং খোদা তা'লাৰ ওচৰত এই তৌফিক লাভ কৰাৰ উদ্দেশ্যে আৰু তাৰ কৃপা লাভাৰ্থে দোৱা কৰি থাকিব লাগে। ইবাদত কৰাৰ আগ্ৰহও খোদা তা'লাৰ পৰা মাগি থাকক। আৰু এই দোৱা কৰিবলৈ গৈ কেতিয়াও বাগৰি নপৰিব।

হজৰত মছীহ মাওউদ (আঃ)য়ে কৈছে যে এয়া ভালদৰে মনত ৰাখিবা যে আল্লাহক এৰি আৰু পৰিশ্ৰমৰ ওচৰত ভৰসা কৰাও বুৰ্বকামী। নিজৰ জীৱনত এনেকুৱা পৰিৱৰ্তন আনয়ন কৰা যে এয়া এটা নতুন জীৱন, ইস্তেগফাৰৰ জীৱন। বেছি বেছি ইস্তেগফাৰ কৰি থাকা। যিসকলে জাগতিক কাম কাজত ব্যস্ত থকাৰ কাৰণে সময়ৰ নাটনি হয়, তেওঁলোকে বেছি ভয় কৰা উচিত। চাকৰি কৰা অধিকাংশ লোকৰ মনৰ পৰা খোদাৰ প্ৰতি কৰণীয় ফৰজ সমূহ লুপ্ত হৈ পৰে। সেয়ে বাধ্যবাধকতা থাকিলে মাজে সময়ে জহৰ,আছৰ আৰু মাগৰিব ইশ্বাৰ নামাজ জমা পঢ়িব পাৰে। আচলতে কিন্তু ওয়াক্তৰ নামাজ ওয়াক্ত মতে পঢ়া উচিত। হুকুকুল্লাহ আৰু হকুকুল ইবাদৰ ক্ষেত্ৰত উশৃংখলতাক ঠাই নিদিবা। নিজৰ ফৰজ সমূহ সাৱধানাতেৰ পালন কৰি যোৱা। গতিকে তৌবা ইস্তেগফাৰে তেতিয়াহে কাম দিব যেতিয়া বুনিয়াদী আহকামাত সমূহ আগত ৰাখি শুদ্ধ ভাৱে আনুগত্য কৰা হ'ব। নিয়মিত ভাৱে নামাজ পঢ়িব লাগিব, হকুকুল্লাহ আৰু হকুকুল ইবাদ শুদ্ধ ভাৱে আদায় কৰিব লাগিব।

হজৰত মছীহ মাওউদ (আঃ)য়ে কৈছে যে এয়া নক'বা যে তৌবা গৃহীত নহয়। মনত ৰাখিবা যে তুমি কেতিয়াও নিজৰ আমলৰ দ্বাৰা বাচি যাব নোৱাৰা। সদায় খোদাৰ ফজলেহে বচায় নিজৰ আমলে নহয়। আকৌ কৈছে যে হে খোদায়ে ৰহিম ও কৰিম আমাৰ ওপৰত কৃপা কৰা, আমি সকলোৱে তোমাৰ বান্দা আৰু তোমাৰ আস্থানত পৰি আছো। আল্লাহ তা'লা আমাক হজৰত মছীহ মাওউদ (আঃ)ৰ দোৱাৰ অংশীদাৰ বনাওক আমি যেন তৌবা ইস্তেগফাৰৰ সাৰমৰ্ম বুজি ইস্তেগফাৰৰ গূঢ়াৰ্থ বুজি ইস্তেগফাৰ আৰু তৌবা কৰোতা হওঁ।

খোতবা জুমাৰ শেষত হুজুৰ আনোৱাৰ (আইঃ)য়ে চাৰিজন মৰহুমিনৰ বিষয়ে আৰু তেওঁলোকৰ জামাতি খিদমত সম্পৰ্কে চমু বিৱৰণী আগবঢ়ায় আৰু নামাজে জুমাৰ পিছত মৰহুমিন সকলৰ নামাজে গায়েব পঢ়াৰ ঘোষণা কৰে। আল্লাহ তা'লা মৰহুমিন সকলৰ আত্মাৰ সদগতিৰ সৈতে তেওঁলোকৰ মৰ্যদা উন্নীত কৰক। আমীন-

اَلْحَمْدُ لِلّٰهِ نَحْمَدُهٗ وَنَسْتَعِيْنُهٗ وَنَسْتَغْفِرُهٗ وَنُؤْمِنُ بِهٖ وَنَتَوَكَّلُ عَلَيْهِ وَنَعُوْذُ بِاللّٰهِ مِنْ شُرُوْرِ اَنْفُسِنَا
وَمِنْ سَيِّئَاتِ اَعْمَالِنَا مَن يَّهْدِهِ اللّٰهُ فَلاَ مُضِلَّ لَهُ وَمَنْ يُّضْلِلْهُ فَلاَ هَادِيَ لَهُ وَنَشْهَدُ أَنْ لَآ اِلٰهَ اِلاَّ اللّٰهُ
وَنَشْهَدُ اَنَّ مُحَمَّدًا عَبْدُهٗ وَرَسُوْلُهٗ، عِبَادَ اللّٰهِ رحمكم الله اِنَّ اللّٰهَ يَأْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِيْتَآءِ ذِى الْقُرْبٰى
وَيَنْهٰى عَنِ الْفَحْشَآءِ وَالْمُنْكَرِ وَالْبَغْيِ يَعِظُكُمْ لَعَلَّكُمْ تَذَكَّرُوْنَ اُذْكُرُوا اللّٰهَ يَذْكُرْكُمْ وَادْعُوْهُ يَسْتَجِبْ
لَكُمْ وَلَذِكْرُ اللّٰهِ اَكْبَرُ ۔

# BOOK POST (PRINTED MATTER)

TO,

..........................................................................................................................

..........................................................................................................................

..........................................................................................................................

From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/n-IV, Bongaigaon Assam 783384. # 6000032598,9707110844